# দু:স্বপ্নৰ সামৰণি ঘটিল

**দিনাংক- ১৫ ফেব্ৰুৱাৰী ২০১৪**

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

শেষত দু:স্বপ্নৰ সামৰণি ঘটিল । দিল্লীৰ আটাইতকৈ বেয়া চৰকাৰে শেষত পদত্যাগ কৰিলে । আম আদমী দ'লৰ চৰকাৰে লেফটেনেন্ট গৱৰ্নৰলৈ পদত্যাগ পত্ৰ জমা দিয়াৰ সিদ্ধান্ত লৈছে । বিগত ৪৯ দিন পৰম্পৰাৰ বিপৰীতে চলা চৰকাৰ সাক্ষী হৈ ৰ'ল । এই চৰকাৰৰ কোনো আদৰ্শ অথবা কাৰ্য্যক্ৰমণিকা নাছিল । ই জনপ্ৰিয় আৰু মনভুলুৱা চৰকাৰ আছিল ।

চতুৰ ৰাজনীতি আৰু শাসনবিহীন দিল্লীৰ আম আদমী চৰকাৰৰ আদৰ্শ আছিল । এই চৰকাৰৰ কোনো জনমত নাছিল । তেওঁলোকে কেৱল ২৮ টা আসনহে দখল কৰিছিল । বিজেপি সংখ্যাগৰিষ্ঠ চৰকাৰ আছিল। তেওঁলোকে ক্ষমতাৰ প্ৰমাণ দিব'লৈ নিলাজভাৱে কংগ্ৰেছ দ'লৰ পৰা সমৰ্থন লাভ কৰিছিল । তেওঁলোকৰ বহুতো বিধায়কৰ অভিজ্ঞতা নাছিল। তেওঁলোকৰ কোনো পৰিকল্পনা নাছিল । বহুতো সময়ত তেওঁ লোক বেলেগ বেলেগ দেখা গৈছিল । তেওঁলোকৰ আন্দোলনকাৰীৰ প্ৰবৃত্তি আছে কিন্ত কোনো ধৰণৰ শাসন কৰাৰ সামৰ্থ নাই ।

আম আদমী দ'লৰ চৰকাৰে দিল্লীত খোৱা পানী বিস্তাৰ কৰাৰ সিদ্ধান্ত লৈছে নেকি ? তেওঁলোকে দিল্লীত স্বাস্থ্যৰ আচঁনি উন্নত কৰিব'লৈ গম্ভীৰ চিন্তা কৰিছে নেকি ? নতুন স্কুল বা মহাবিদ্যালয় স্থাপনৰ কথা ভাৱিছিল নে ? দিল্লীত কাৰীকৰি শৈক্ষিক প্ৰতিষ্ঠান বিস্তাৰিত কৰাৰ কথা ভাৱিছিল নে ? দিল্লীত আৰু অধিক উৰণীয়া সেতু আৰু গড়কাপ্তানি বিভাগে নিৰ্মাণ কৰা ৰাস্তা উন্নত কৰাৰ কথা মনলৈ আহিছিল নে ? দিল্লীৰ নিচিনা মহানগৰত এই সকলো জনগণৰ জীৱন উন্নত কৰাত সহায় কৰে । আচলতে এই সকলো অঞ্চলত কাম কৰাত গুৰুত্ব প্ৰদান কৰিব লাগিছিল । ৪৯ দিনলৈ শাসনত থকা চৰকাৰে এই সকলো বিষয়ৰ ওপৰত কাম কৰাৰ কথা নাভাৱিলে । তেওঁলোকে কেৱল আন্দোলনৰ কথাহে জানে । গৃহমন্ত্ৰী লেফটেনেণ্ট গৱৰ্ণৰ, কমিছনাৰ অফ পুলিচ, আফ্ৰিকান মহিলাৰ বিৰুদ্ধে আন্দোলন কৰিব পাৰে । তেওঁলোকৰ সকলো পদক্ষেপ অসত্যতাৰ ভিত্তিত আৰু ভ্ৰমিত কৰাৰ

লগতে কাল্পনিক শত্রুৰ সৃষ্টি কৰি মৌখিক আক্রমণ কৰে আৰু জনপ্রিয়তা অর্জন কৰে । তেওঁলোকে বিশ্বাস কৰে যে কেৱল তেওঁলোকৰ নেতাহে সত্যৱাদী আন সকল অসত্যবাদী । শাসনত থকা প্রত্যেক দিনাই তেওঁলোকৰ জনপ্রিয়তা হ্রাস পাইছিল । আম অদমী পার্টিয়ে এতিয়া বিশ্বাস কৰিছে যে বিধানসভাত বহা তেওঁলোকৰ নেতা চাইনাৰ দোকানৰ ষাড়গৰুৰ দৰে । তেওঁলোকক ৰাস্তাতহে ভাল দেখি, সেইবাবে তেওঁলোকে শাসনৰ পৰা ওলাই অহাৰ ৰাস্তা নিজে বিচাৰি লৈছে । শেষ দিনালৈকে তেওঁলোকে জনলোকপাল বিধেয়ক গুপনভাৱে ৰাখি থৈছিল । তেওঁ লোকৰ লোকপলৰ সূচীপত্র আৰু কেন্দ্রীয় বিধেয়কৰ মাজত পার্থক্য নাছিল । কিন্তু তেওঁলোকে দেখুৱাবলৈ চেষ্টা কৰিছিল যে তেওঁলোকৰ লোকপাল কেন্দ্রী বিধেয়কৰ তুলনাত বহুত বিপ্লৱী । তেওঁলোকে পৰম্পৰাগতভাৱে বিধেয়কক স্বীকৃতি দিয়াৰ বিপৰীতে আন পথ বাচি ল'লে যাতে পদত্যাগ কৰিব পাৰে ।

আম আদমী পার্টি চৰকাৰ এতিয়া নাই । তেওঁলোকে বহুত লোকৰ বিকল্পিত ৰাজনীতিৰ উৎ পত্তিৰ ধাৰণাত চেচাঁ পানী ঢালি দিছে । ই বিকল্পিত ৰাজনীতি, জনপ্রিয়, মনভুলুৱা আৰু অসত্য আছিল অথচ শাসনৰ বাবে নাছিল । ধন্যবাদ প্রভু, দুঃস্বপ্নৰ সামৰণি পৰিল ।